**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-08 -2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

--------------------

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত পঞ্জীয়নৰ অন্তিম তাৰিখ শালি ধানৰ বাবে ২০ আগষ্ট আৰু মাটি মাহৰ বাবে ১৫ ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। ইয়াৰ সবিশেষ তথ্যৰ বাবে স্থানীয় কৃষি বিষয়া অথবা সংশ্লিষ্ট বীমা কোম্পানীৰ প্ৰতিনিধিৰ সৈতে যোগাযোগ কৰিবলৈ খেতিয়কসকলক কোৱা হৈছে। এই যোজনাৰ অধীনত প্ৰাকৃতিক দুৰ্যোগ আৰু অনাকাংক্ষিত লোকচানৰ বাবে খেতিয়ক সকলক ক্ষতিপূৰণ কৰা হয়।

০০০

২০২৭ চনত অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে । উত্তৰ গুৱাহাটীত আজি দুখনকৈ উন্নত মানৰ ক্ৰীড়া একাডেমী মুকলি কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই একাডেমী দুখনৰ জৰিয়তে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰলৈ আমূল পৰিৱৰ্তন আহিব। ড০ শৰ্মাই কয় যে বিশ্বমানৰ খেলুৱৈ সৃষ্টি কৰিবলৈ হ'লে খেলুৱৈসকলৰ বাবে বিশ্বমানৰ সা-সুবিধা সৃষ্টি কৰিব লাগিব আৰু অসমত এনে প্ৰচেষ্টা চলি আছে। ৰাজ্যৰ প্ৰতিখন জিলাতে ক্ৰীড়াৰ অনুশীলনৰ বাবে উত্তম আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে আৰু প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৪০ বিঘা ভূমিত নিৰ্মাণ কৰা অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমী আৰু গুৱাহাটী টাউন ক্লাবৰ ফুটবল একাডেমী দুখনত হোষ্টেল, জিম, পেভিলিয়ন, ইনড'ৰ ষ্টেডিয়াম আৰু খেলপথাৰকে ধৰি সকলো ধৰণৰ সা-সুবিধা আছে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী অশোক সিংহাল উপস্থিত থাকে।

০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন সন্মানেৰে বিভূষিত অটল বিহাৰী বাজপেয়ীৰ সপ্তম মৃত্যু বাৰ্ষিকীত আজি সমগ্ৰ ৰাষ্ট্ৰই প্ৰয়াত নেতাগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত থকা তেওঁৰ স্মৃতিসৌধ **সদৈৱ অটলত** প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। গুৱাহাটী মহানগৰীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধা জনোৱা হয়। ৰাজ্যিক বিজেপিৰ সভাপতি দিলিপ শইকীয়াই বাজপেয়ী ভৱনত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰি শ্ৰদ্ধা নিবেদন কৰে। অমল প্ৰেৰণাৰ প্ৰতিভূ ভাৰতৰত্ন প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰীৰ বাজপেয়ীৰ বাগ্মিতা আদৰ্শ আৰু অসাধাৰণ চিন্তা চৰ্চাই নৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিব বুলি শ্ৰীশইকীয়াই মন্তব্য কৰে।

প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে অসমৰ পৰা অবৈধ বিদেশী চিনাক্ত কৰি বিতাড়ন কৰাৰ ওপৰত গুৰুত্ব দি সংসদত প্ৰায় ৪৫ মিনিটযোৰা ভাষণ দি অসম আন্দোলনৰ বিষয়বস্তু দাঙি ধৰিছিল বুলি তেওঁ কয়। শ্ৰীশইকীয়াই কয় যে উত্তৰ পূৰ্বাঞ্চলৰ আঞ্চলিক বৈষম্য আঁতৰোৱাৰ বাবে অসমৰ বড়োলেণ্ড অঞ্চলৰ শান্তি আৰু উন্নয়নৰ ক্ষেত্ৰত বাজপেয়ীয়ে উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। বাজপেয়ীয়ে ২০০৩ চনত বড়োলেণ্ড চুক্তিত স্বাক্ষৰ কৰাৰ পাছতে বিটিচি গঠন কৰা হৈছিল বুলি তেঁও কয়। ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক জি আৰ বৰীন্দ্ৰ ৰাজুকে ধৰি দলীয় কেইবাজনো নেতা কৰ্মীয়ে আজিৰ এই অনুষ্ঠানত অংশ লয়।

মন্ত্ৰী কৌশিক ৰায়ে কাচাৰৰ ৰংপুৰ জিৰো পইণ্টত থকা ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা নিবেদন কৰে। ৰাজ্যসভাৰ সাংসদ কনৰাড পুৰকায়স্থৰ লগতে কেইবাগৰাকীও বিজেপি কৰ্মীয়ে এই অনুষ্ঠানত অংশ লয়। ০০০০

০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি গুৱাহাটীত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত দুয়োখন ৰাজ্যৰ উন্নয়ন আৰু সহযোগিতামূলক পদক্ষেপৰ বিষয়ে আলোচনা কৰা হয়।

০০০

ধেমাজিত ২০০৪ চনৰ ১৫ আগষ্টত বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা ১৩টি শিশুক স্মৰণ কৰি ৰাজ্যৰ বিভিন্ন অংশত আজি শোক দিৱস পালন কৰা হৈছে। গুৱাহাটী অৱস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ লগতে ডিব্ৰুগড়, কাৰ্বি আংলং, বৰপেটা আদি বিভিন্ন জিলাত এই শোক দিৱসৰ সৈতে সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাহিলীপাৰাৰ মুখ্য কাৰ্যালয়ত আয়োজিত আজিৰ শোক দিৱসৰ অনুষ্ঠানত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং, আৰক্ষী মহাপৰিদৰ্শক অখিলেশ সিং, বিবেকৰাজ সিং আৰু প্ৰশান্ত ভূঞাৰ লগতে আন বহুকেইগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়া আৰু বিভিন্ন বৰ্গৰ কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতেই সমাজত শান্তি, সামাজিক শৃংখলা আৰু সকলো শ্ৰেণীৰ লোকৰ মাজত পাৰস্পৰিক বুজাবুজি বৃদ্ধিৰ হকে কাম কৰাৰ লগতে মানৱ জীৱন আৰু প্ৰমূল্যবোধৰ প্ৰতি শংকা কঢ়িয়াই অনা অশুভ শক্তিৰ বিৰুদ্ধে যুঁজ দি যাবলৈ সকলোৱে শপত গ্ৰহণ কৰে। অসম আৰক্ষীৰ প্ৰশাসন বিভাগৰ সহকাৰী আৰক্ষী মহাপৰিদৰ্শক প্ৰণজ্যোতি গোস্বামীয়ে বিষয়া-কৰ্মচাৰীসকলক শপতবাক্য পাঠ কৰোৱায়।

একেদৰে ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত শোকসভাত নিৰ্বাচনী বিষয়া প্ৰাঞ্জিল গগৈয়ে ২০০৪ চনৰ ১৫ আগষ্টৰ বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি অনুষ্ঠানত উপস্থিত থকা সকলোকে হিংসা বিৰোধী শপত বাক্য পাঠ কৰোৱায়।

কাৰ্বি আংলঙতো বোমা বিস্ফোৰণত প্ৰাণ আহুতি দিয়াসকলক সুঁৱৰি জিলা আৰক্ষীৰ লগতে বৈঠালাংছু থানাৰ আৰক্ষীয়ে গভীৰ শোক প্ৰকাশ কৰে। অনুষ্ঠানত বৈঠালাংছু থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীপজ্যোতি ইংতিয়ে ১ মিনিট মৌনতা অৱলম্বন কৰি বিদেহ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে দেশৰ অহিংসা আৰু পৰম্পৰাৰ প্ৰতি গভীৰ আস্থা ৰাখি সকলোকে শপতবাক্য পাঠ কৰোৱায়।

এই উপলক্ষে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে স্বাধীনতা দিৱসৰ দিনাই কৰুণভাৱে মৃত্যুক সাৱটি লোৱা শিশুকেইটিলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে ধেমাজিবাসীয়ে স্বাধীনতা দিৱস উদযাপন কৰিবলৈ অহা শিশু শিক্ষাৰ্থী, নাগৰিকৰ কৰুণ মৃত্যুত সেই বিষাদ গধুৰ স্মৃতি কেতিয়াও পাহৰিব নোৱাৰে। এই কৰুণ ঘটনাই আমাক সকলোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে আৰু মানৱীয় প্ৰমূল্যবোধৰ সপক্ষে ঐক্যবদ্ধভাৱে যুঁজ দিবলৈ সাহস যোগাব।

০০০০

সমাপ্ত